**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৬২২/২০১৯**

**চাহ জনগোষ্ঠীৰ হিতাধিকাৰীক ভূমি পট্টাৰ অনুমোদন পত্ৰ প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে**
**অসম চাহ নিগমৰ ১৫ খন বাগিচাত ১৫ খন প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ নিৰ্মাণ কৰিব ৰাজ্য চৰকাৰে**
**অহা ১ জানুৱাৰীৰ পৰা অসম চাহ নিগমৰ অধীনৰ চাহ বাগিচাৰ শ্ৰমিকে বৰ্দ্ধিত হাৰত লাভ কৰিব মজুৰি**
**ৰাজ্যখনৰ খিলঞ্জীয়া জনসাধাৰণৰ জাতি-মাটি-ভেটি সুৰক্ষিতকৰণৰ দিশত ৰাজ্য চৰকাৰে বলিষ্ঠ পদক্ষেপ লৈছে ঃ মুখ্যমন্ত্ৰী**

**দিছপুৰ, ৩০ ডিচেম্বৰ ঃ** 'আমাৰ অসম, আমাৰ মাটি, আমাৰ অধিকাৰ হ'ল বৰ্তমানৰ ৰাজ্য চৰকাৰখনৰ মূল মন্ত্ৰ আৰু ৰাজ্য চৰকাৰে এই নীতিৰ আধাৰতে ৰাজ্যখনৰ খিলঞ্জীয়া জনসাধাৰণৰ জাতি, মাটি, ভেটি সুৰক্ষিতকৰণৰ দিশত বলিষ্ঠ পদক্ষেপ লৈ আহিছে।' আজি যোৰহাট জিলাৰ চিনামৰা চাহ বাগিচাত এখন প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰি এই উপলক্ষে আয়োজিত শ্ৰমিক সমাৰোহত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে কাৰ্যভাৰ লোৱাৰ প্ৰথম দিনটোৰ পৰাই ৰাজ্যখনৰ জনসাধাৰণৰ অধিকাৰ আৰু মৰ্যাদা সুৰক্ষিতকৰণৰ বাবে নিষ্ঠা সহকাৰে কাম কৰি আহিছে। ৰাজ্য চৰকাৰে ৰাজ্যখনৰ খিলঞ্জীয়া জনসাধাৰণৰ ভূমিৰ অধিকাৰ সুৰক্ষিতকৰণৰ বাবে ভূমি নীতি গ্ৰহণ কৰিছে। এগৰাকী ভূমি পুত্ৰ হিচাপে তেওঁৰ নেতৃত্বাধীন বৰ্তমানৰ চৰকাৰে খিলঞ্জীয়া জনসাধাৰণৰ অধিকাৰ খৰ্ব কৰা কোনো ধৰণৰ কাম নকৰে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্য চৰকাৰে চাহ বাগিচাৰ চিলিং উদ্বৃত্ত ভূমিৰ জৰিপ কাৰ্য চলাই আছে যাতে এই ভূমি চাহ জনগোষ্ঠীৰ জনসাধাৰণলৈ প্ৰদান কৰিব পৰা যায়। বাগিচা সমূহৰ চিলিং উদ্বৃত্ত ভূমি বাহিৰা মানুহৰ হাতত তুলি দিয়াৰ পৰিকল্পনা কৰি থকা বুলি এচাম ন্যস্ত স্বাৰ্থ মহলে চলাই অহা অপপ্ৰচাৰৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে দৃঢ়তাৰে কয় যে চাহ জনগোষ্ঠীৰ হাতত থকা ভূমি এই জনগোষ্ঠীৰ জনসাধাৰণৰ হাততেই থাকিব।

ৰাজ্যখনৰ জনসাধাৰণৰ স্বাস্থ্য প্ৰযত্ন নিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰ দায়বদ্ধ বুলি উল্লেখ কৰি আগন্তুক সময়ত অসম চাহ নিগমৰ অধীনৰ ১৫ খন চাহ বাগিচাত ৰাজ্য চৰকাৰে ১৫ খন প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ নিৰ্মাণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

চাহ জনগোষ্ঠী অসমৰ এক অন্যতম জনগোষ্ঠী বুলি উল্লেখ কৰি এই জনগোষ্ঠীটোৰ সৰ্বাংগীন উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে সকলো ধৰণৰ পদক্ষেপ ভৱিষ্যতেও লৈ থাকিব বুলি তেওঁ কয়। আগন্তুক নৱবৰ্ষৰ পৰা চাহ জনগোষ্ঠীৰ প্ৰতিটো পৰিয়ালে মাহেকত ২ কেজিকৈ বিনামূলীয়া চেনি লাভ কৰিব। চাহ জনগোষ্ঠীৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু শৈক্ষিক উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে ৰাজ্যখনৰ

**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

৮০০ খন চাহ বাগিচাত ভাল পথ নিৰ্মাণৰ বাবে প্ৰত্যেকখন চাহ বাগিচালৈ ১ কোটিকৈ টকা আবন্টনৰ পদক্ষেপ লৈছে। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত চাহ শ্ৰমিক সকলৰ বাবে প্ৰায় ৪ হাজাৰ টা নতুন গৃহ নিৰ্মাণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আগন্তুক বৰ্ষৰ পহিলা জানুৱাৰীৰ পৰা অসম চাহ নিগমৰ অধীনৰ চাহ শ্ৰমিকৰ দৈনিক মজুৰি বৰ্তমানৰ ১৩৮ টকাৰ পৰা ১৬৭ টকালৈ বৃদ্ধি কৰাৰ বাবে ৰাজ্য চৰকাৰে লোৱা পদক্ষেপৰো আজি মুখ্যমন্ত্ৰীয়ে আনুষ্ঠানিক ভাৱে ঘোষণা কৰে। চিনামৰা চাহ বাগিচাক এখন ঐতিহাসিক চাহ বাগিচা বুলি উল্লেখ কৰি এই চাহ বাগিচাতে অসমীয়া বিখ্যাত চিনেমা 'চামেলি মেম চাহাব'ৰ দৃশ্য গ্ৰহণ কৰা হৈছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই চিনেমাখনৰ বাবে সুধাকণ্ঠ ভাৰতৰত্ন ড° ভূপেন হাজৰিকাই শ্ৰেষ্ঠ সংগীত পৰিচালকৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। আব্দুল মজিদৰ দ্বাৰা নিৰ্দেশিত এই চিনেমাখনৰ চিনামৰা চাহ বাগিচাত কৰা দৃশ্য গ্ৰহণৰ ঠাই ৰাজ্য চৰকাৰে সংৰক্ষণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে চাহ জনগোষ্ঠীৰ হিতাধিকাৰীসকলক ভূমিৰ পট্টাৰ অনুমোদন পত্ৰ প্ৰদান কৰে।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে বৰ্তমানৰ ৰাজ্য চৰকাৰে চাহ জনগোষ্ঠীৰ সৱলীকৰণৰ বাবে লোৱা বিভিন্ন আঁচনিৰ আলোকপাতেৰে বক্তব্য প্ৰদান কৰে।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে বৰ্তমানৰ চৰকাৰে চাহ জনগোষ্ঠীৰ জনসাধাৰণক বিত্তীয় অন্তৰ্ভুক্তিকৰণেৰে তেওঁলোকৰ অৰ্থনৈতিক সৱলীকৰণৰ দিশত লোৱা পদক্ষেপৰ অৱলোকনেৰে বক্তব্য আগবঢ়ায়।

অনুষ্ঠানত লোক সভাৰ সাংসদ তপন কুমাৰ গগৈ, ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক যোগেন মোহন আৰু তেৰছ গোৱালাইও ভাষণ প্ৰদান কৰে।

অনুষ্ঠানত অসম চাহ নিগমৰ অধ্যক্ষ অমিয় কুমাৰ বৰা, অসম চাহ মজদুৰ সংঘৰ প্ৰতিনিধি, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অভিযান সঞ্চালক ডাঃ এছ লক্ষ্মণনৰ লগতে বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**সুঃদঃ/ বঃভাঃ**
**৩০-১২-২০১৯**